অনুসন্ধান

২০,৭৩৬ কোটি টকাৰ হিচাপ নাই অসম চৰকাৰৰ! ৬,৫৪৫টা ব্যৱহাৰ প্ৰমাণপত্ৰক লৈ CAGৰ কঠোৰ প্ৰশ্ন

CAGৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ প্ৰতিবেদন অনুসৰি, ৩১ মাৰ্চ ২০২৫লৈ অসম চৰকাৰৰ ৬,৫৪৫টা ব্যৱহাৰ প্ৰমাণপত্ৰৰ বিপৰীতে ২০,৭৩৬.০৯ কোটি টকাৰ হিচাপ বাকী আছিল। ইয়াৰ উপৰি ৩৯টা বিভাগৰ ৭৫৩.৬১ কোটি টকাৰ অগ্ৰিম ধনৰ হিচাপ, ৭৫টা চৰকাৰী সংস্থাৰ ৪৯৪টা বাৰ্ষিক হিচাপ আৰু ৪৪টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ২৪০টা হিচাপ দাখিল হোৱা নাছিল CAGৰ তথ্যই ৰাজ্যৰ বিত্তীয় স্বচ্ছতা আৰু জবাবদিহিতাক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে।

প্ৰকাশ: ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৩৪ আপডেট: ৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০৮



(social media)

গুৱাহাটী, ৪ নৱেম্বৰঃ অসম চৰকাৰৰ ৰাজহুৱা ধনৰ ব্যৱহাৰ আৰু হিচাপ-নিকাচক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাগণনা পৰীক্ষক (CAG)-এ। অসম চৰকাৰৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ ৰাজ্যিক বিত্তীয় হিচাপ পৰীক্ষা প্ৰতিবেদনত পোহৰলৈ আহিছে যে ৩১ মাৰ্চ, ২০২৫ তাৰিখলৈ মুঠ ৬,৫৪৫টা ব্যৱহাৰ প্ৰমাণপত্ৰ (Utilisation Certificate) দাখিল হোৱা নাছিল। এই প্ৰমাণপত্ৰসমূহৰ সৈতে জড়িত ধনৰ পৰিমাণ হৈছে ২০,৭৩৬.০৯ কোটি টকা। অৰ্থাৎ চৰকাৰী ধন বিভিন্ন বিভাগ আৰু সংস্থাৰ জৰিয়তে ব্যয় কৰা হ'লেও সেই ধন নিৰ্ধাৰিত উদ্দেশ্যত ব্যৱহাৰ কৰা হ'ল নে নাই, তাৰ প্ৰমাণ হিচাপ পৰীক্ষাৰ বাবে দাখিল কৰা হোৱা নাছিল।

CAGৰ প্ৰতিবেদন অনুসৰি, মুঠ ৬,৯২৯টা ব্যৱহাৰ প্ৰমাণপত্ৰৰ বিপৰীতে ২৩,২৪০.৫৬ কোটি টকা দাখিল হ'বলগীয়া আছিল। ইয়াৰে ৩৮৪টা প্ৰমাণপত্ৰৰ বিপৰীতে ২,৫০৪.৪৭ কোটি টকাৰ হিচাপ দাখিল কৰা হৈছে। কিন্তু বাকী ৬,৫৪৫টা প্ৰমাণপত্ৰৰ বিপৰীতে ২০,৭৩৬.০৯ কোটি টকাৰ হিচাপ এতিয়াও বাকী আছিল।

কোন বিভাগত কিমান টকাৰ হিচাপ বাকী?

CAGৰ তথ্য অনুসৰি, ব্যৱহাৰ প্ৰমাণপত্ৰ দাখিল নোহোৱা বিভাগসমূহৰ ভিতৰত কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগ আছে।

বিত্ত বিভাগৰ ৩৩টা ব্যৱহাৰ প্ৰমাণপত্ৰৰ বিপৰীতে ৪,০৬৭.০৬ কোটি টকাৰ হিচাপ বাকী আছিল। জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ ৩৮৪টা প্ৰমাণপত্ৰৰ বিপৰীতে ১,৯৮৭.৩১ কোটি টকা, শিক্ষা (সাধাৰণ) বিভাগৰ ৩১৭টা প্ৰমাণপত্ৰৰ বিপৰীতে ১,৯০৯.১৮ কোটি টকা আৰু সমাজ কল্যাণ বিভাগৰ ২৯৬টা প্ৰমাণপত্ৰৰ বিপৰীতে ১,৭৬৪.১৬ কোটি টকাৰ হিচাপ দাখিল হোৱা নাছিল।

একেদৰে সচিবালয় প্ৰশাসন বিভাগৰ ১২৮টা ব্যৱহাৰ প্ৰমাণপত্ৰৰ বিপৰীতে ১,৪৫৬.৫৭ কোটি টকাৰ হিচাপ বাকী আছিল।

এই পৰিসংখ্যাই ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত ৰাজহুৱা ধনৰ ব্যৱহাৰ সম্পৰ্কীয় হিচাপ দাখিলৰ ক্ষেত্ৰত থকা গাফিলতিৰ ছবিখন স্পষ্ট কৰিছে।

বছৰ বছৰ ধৰি পৰি আছে ব্যৱহাৰ প্ৰমাণপত্ৰ

CAGৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, কিছুমান ব্যৱহাৰ প্ৰমাণপত্ৰ ২০০৫-০৬ বিত্তীয় বৰ্ষৰ পৰাই দাখিল হোৱা নাই। অৰ্থাৎ প্ৰায় দুটা দশক পুৰণি চৰকাৰী অনুদানৰ ধনৰ ব্যৱহাৰৰ হিচাপো এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই।

প্ৰতিবেদনত ব্যৱহাৰ প্ৰমাণপত্ৰ দাখিল হ'বলগীয়া সময়ৰ ভিত্তিত ধনৰ পৰিমাণো উল্লেখ কৰা হৈছে। ২০১৯-২০ বৰ্ষৰ পূৰ্বৰ ১,৬৪৪টা প্ৰমাণপত্ৰৰ বিপৰীতে ৪,৭৩২ কোটি টকা বাকী আছিল। ২০১৯-২০ বৰ্ষৰ বাবে ১,০৪২.৩১ কোটি, ২০২০-২১ বৰ্ষৰ বাবে ২,৬৬৩.৫৬ কোটি, ২০২১-২২ বৰ্ষৰ বাবে ১,৯৩৬.৪৪ কোটি আৰু ২০২২-২৩ বৰ্ষৰ বাবে ১,৭৫০.০৫ কোটি টকাৰ হিচাপ বাকী আছিল।

আনহাতে, ২০২৩-২৪ বৰ্ষৰ বাবে ৪,৪৪৭.৪২ কোটি আৰু ২০২৪-২৫ বৰ্ষৰ বাবে ৪,১৬৪.৩১ কোটি টকাৰ ব্যৱহাৰ প্ৰমাণপত্ৰ দাখিল হোৱা নাছিল। কেৱল এই দুটা বৰ্ষৰ বাবেই মুঠ ৮,৬১১.৭৩ কোটি টকাৰ হিচাপ বাকী আছিল।

উল্লেখযোগ্য যে এই বছৰসমূহে ধন মোকলাই দিয়াৰ বছৰ নহয়; ব্যৱহাৰ প্ৰমাণপত্ৰ দাখিল হ'বলগীয়া সময়সীমাৰ বছৰহে বুজাইছে।

নিয়ম অনুসৰি এবছৰৰ ভিতৰত দাখিল কৰিব লাগে হিচাপ

অসম বিত্তীয় নিয়ম, ১৯৩৯ৰ ৫১৭নং নিয়ম অনুসৰি, নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে দিয়া অনুদান সেই উদ্দেশ্যতে যুক্তিসংগত সময়ৰ ভিতৰত ব্যয় কৰিব লাগে। ধন ব্যয় নহ'লে অব্যৱহৃত ধন চৰকাৰৰ ওচৰত ঘূৰাই দিব লাগে।

একেদৰে অসম কোষাগাৰ নিয়ম, ২০১৭ৰ ২৫৬নং নিয়ম অনুসৰি, অনুদান প্ৰদান কৰা কৰ্তৃপক্ষই সংশ্লিষ্ট সংস্থা বা প্ৰতিষ্ঠানৰ পৰা ব্যৱহাৰ প্ৰমাণপত্ৰ আৰু হিচাপ পৰীক্ষা কৰা বিবৃতি সংগ্ৰহ কৰি মহাগণনা পৰীক্ষকৰ কাৰ্যালয়ত

দাখিল কৰিব লাগে।

CAGৰ মতে, সাধাৰণতে অনুদান লাভ কৰাৰ এবছৰৰ ভিতৰত অথবা একেটা উদ্দেশ্যৰ বাবে পৰৱৰ্তী অনুদান বিচৰাৰ পূৰ্বে ব্যৱহাৰ প্ৰমাণপত্ৰ দাখিল কৰিব লাগে।

কিন্তু অসমত বছৰ বছৰ ধৰি এই নিয়ম পালন নোহোৱাটো প্ৰতিবেদনত স্পষ্ট হৈ পৰিছে।

চৰকাৰৰ নিৰ্দেশৰ পিছতো কিয় সম্পূৰ্ণ হোৱা নাই হিচাপ?

CAGৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, এই বিষয়টো ২০২৪ চনৰ মাৰ্চ, ২০২৫ চনৰ ফেব্ৰুৱাৰী আৰু ২০২৫ চনৰ আগষ্ট মাহত বিত্ত বিভাগৰ দৃষ্টিগোচৰ কৰা হৈছিল। বিত্ত বিভাগেও সংশ্লিষ্ট বিভাগসমূহক বাকী থকা ব্যৱহাৰ প্ৰমাণপত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিছিল।

২০২৫ চনৰ ১৩ আৰু ১৪ অক্টোবৰত অনুষ্ঠিত বৈঠকত বিত্ত বিভাগে ৩০ নৱেম্বৰ, ২০২৫ৰ ভিতৰত বাকী থকা ব্যৱহাৰ প্ৰমাণপত্ৰৰ ৫০ শতাংশ আৰু ডিচেম্বৰ, ২০২৫ৰ শেষৰ ভিতৰত ১০০ শতাংশ দাখিল কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল।

কিন্তু ২০২৫ চনৰ ১৯ ডিচেম্বৰত অনুষ্ঠিত Exit Conference-ত বিত্ত আয়ুক্ত তথা সচিবে বিষয়টো সমাধানৰ বাবে পৰ্যালোচনা বৈঠক আৰু নিৰন্তৰ নিৰীক্ষণ চলি থকা বুলি CAGক অৱগত কৰে।

ইয়াৰ পিছত ২০২৫ চনৰ ২০ ডিচেম্বৰত বিত্ত (নিৰীক্ষা আৰু পুঁজি) বিভাগে জনোৱা তথ্য অনুসৰি, মহাগণনা পৰীক্ষক (হিচাপ আৰু প্ৰাপ্তি)ৰ শেহতীয়া হিচাপত বাকী থকা ব্যৱহাৰ প্ৰমাণপত্ৰৰ ধনৰ পৰিমাণ ২৬,৬৮২.৩৭ কোটি টকাৰ পৰা হ্ৰাস পাই ১৪,১০০.৭৮ কোটি টকা হৈছিল।

অৱশ্যে মন কৰিবলগীয়া যে ২০,৭৩৬.০৯ কোটি টকা হৈছে ৩১ মাৰ্চ, ২০২৫ৰ হিচাপ। আনহাতে, ১৪,১০০.৭৮ কোটি টকা হৈছে ২০২৫ চনৰ ডিচেম্বৰ মাহৰ পৰৱৰ্তী তথ্য। সেয়েহে দুয়োটা পৰিসংখ্যা একে সময়ৰ হিচাপ হিচাপে তুলনা কৰিব নোৱাৰি।

৭৫৩.৬১ কোটি টকাৰ অগ্ৰিম ধনৰো হিচাপ নাই

কেৱল ব্যৱহাৰ প্ৰমাণপত্ৰই নহয়, চৰকাৰী অগ্ৰিম ধনৰ হিচাপ দাখিলৰ ক্ষেত্ৰতো অনিয়মৰ তথ্য পোহৰলৈ আনিছে CAGৰ প্ৰতিবেদনে।

প্ৰতিবেদন অনুসৰি, ৩১ মাৰ্চ, ২০২৫ তাৰিখলৈ ৩৯টা বিভাগে ১,২২২টা Abstract Contingent (AC) Billৰ বিপৰীতে ৭৫৩.৬১ কোটি টকাৰ Detailed Contingent (DC) Bill দাখিল কৰা নাছিল।

AC Billৰ জৰিয়তে চৰকাৰী বিষয়া বা বিভাগে অগ্ৰিম ধন উলিয়ায় আৰু পিছত সেই ধন কেনেদৰে ব্যয় কৰা হ'ল, তাৰ বিস্তৃত হিচাপ DC Billৰ জৰিয়তে দাখিল কৰিব লাগে।

২০২৪-২৫ বিত্তীয় বৰ্ষত উলিওৱা ৪২টা AC Billৰ বিপৰীতে ৮৮.২৩ কোটি টকাৰ হিচাপ দাখিল নোহোৱাকৈ আছিল। ইয়াৰে ২০২৫ চনৰ মাৰ্চ মাহত উলিওৱা ছটা AC Billৰ পৰিমাণ আছিল ১১.৯৬ কোটি টকা।

CAGৰ মতে, দীৰ্ঘদিন ধৰি অগ্ৰিম ধনৰ হিচাপ দাখিল নকৰিলে ধনৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰাটো কঠিন হৈ পৰে আৰু অপব্যৱহাৰৰ আশংকাও বৃদ্ধি পায়। অৱশ্যে হিচাপ দাখিল নোহোৱাটোৱেই ধন আত্মসাৎ হোৱা বুলি প্ৰমাণ নকৰে।

৭৫টা চৰকাৰী সংস্থাৰ ৪৯৪টা বার্ষিক হিচাপ বাকী

ৰাজ্যৰ বিভিন্ন স্বায়ত্তশাসিত পৰিষদ, উন্নয়ন পৰিষদ, চৰকাৰী সংস্থা আৰু কর্তৃপক্ষৰ হিচাপ দাখিলৰ ক্ষেত্ৰতো গুৰুতৰ অৱহেলাৰ তথ্য পোহৰলৈ আহিছে।

CAGৰ মতে, ২০২৫ চনৰ ছেপ্টেম্বৰ মাহলৈকে ৭৫টা সংস্থা আৰু কর্তৃপক্ষৰ ২০২৪-২৫ বিত্তীয় বর্ষলৈকে দাখিল হ'বলগীয়া ৪৯৪টা বার্ষিক হিচাপ পৰীক্ষাৰ বাবে CAGৰ হাতত পৰা নাছিল।

ইয়াৰে সাতটা হিচাপ তিনিখন ষষ্ঠ অনুসূচীৰ স্বায়ত্তশাসিত জিলা পৰিষদৰ সৈতে জড়িত। আনহাতে, ২৫টা স্বায়ত্তশাসিত আৰু জিলা পৰিষদৰ ৩৫০টা বার্ষিক হিচাপ প্ৰতিষ্ঠাৰ সময়ৰ পৰাই দাখিল হোৱা নাছিল।

এই বিষয়টো CAGৰ তৰফৰ পৰা ২০২৫ চনৰ ১০ ফেব্ৰুৱাৰীত মুখ্য সচিবৰ দৃষ্টিগোচৰ কৰা হৈছিল। পৰৱর্তী সময়ত ১৬ ছেপ্টেম্বৰ, ২০২৫ত বিত্ত বিভাগে সংশ্লিষ্ট বিভাগসমূহক বাকী থকা হিচাপসমূহ পর্যালোচনা কৰিবলৈ নির্দেশ দিছিল।

৪৪টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ২৪০টা হিচাপ বাকী

ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰতো একেধৰণৰ ছবি দেখা গৈছে CAGৰ তথ্য অনুসৰি, ২০২৫ চনৰ ছেপ্টেম্বৰ মাহলৈকে ৪৪টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ২০২৪-২৫ বিত্তীয় বর্ষলৈকে দাখিল হ'বলগীয়া ২৪০টা বার্ষিক হিচাপ পৰীক্ষাৰ বাবে পোৱা নাছিল।

ইয়াৰে ৭৪টা হিচাপ পাঁচটা অকার্যকৰী ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ সৈতে জড়িত। প্ৰতিবেদনত লগতে উল্লেখ কৰা হৈছে যে ৰাজ্যৰ ১৬টা অকার্যকৰী ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ভিতৰত আঠটা প্ৰতিষ্ঠানৰ নাম Registrar of Companiesৰ তালিকাৰ পৰা কর্তন কৰা হৈছে।

১৫,১৯৫ কোটি টকাৰ ব্যয়ৰ শ্ৰেণীবিভাজনক লৈও প্ৰশ্ন

চৰকাৰী ব্যয়ৰ হিচাপ শ্ৰেণীবিভাজনৰ ক্ষেত্ৰতো CAG-এ স্বচ্ছতাৰ অভাৱৰ কথা আঙুলিয়াই দিছে।

২০২৪-২৫ বিত্তীয় বর্ষত ৭০টা মুখ্য শিতানৰ অধীনত মুঠ ১৫,১৯৫.০৭ কোটি টকা 'Minor Head-800: Other Expenditure' শিতানত দেখুওৱা হৈছিল। এই পৰিমাণ ৰাজ্যৰ মুঠ ৰাজহ আৰু মূলধনী ব্যয়ৰ ১২.০৩ শতাংশ।

CAGৰ মতে, ইয়াৰে ১,০৫০.৭৩ কোটি টকা নটা মুখ্য শিতানৰ অধীনত এনে শিতানত দেখুওৱা হৈছিল, য'ত উপযুক্ত পৃথক Minor Head উপলব্ধ আছিল।

একেদৰে ৪৭টা মুখ্য শিতানৰ অধীনত ৯২১.১৩ কোটি টকাৰ প্ৰাপ্তি 'Other Receipts' শিতানত অন্তর্ভুক্ত কৰা হৈছিল CAGৰ মতে, এনে শ্ৰেণীবিভাজনে চৰকাৰী ব্যয়ৰ প্ৰকৃত ৰূপ আৰু অগ্ৰাধিকাৰ বিশ্লেষণ কৰাত অসুবিধাৰ সৃষ্টি কৰে।

বিভাগীয় হিচাপৰ ৩৫ শতাংশতকৈ অধিক মিলোৱা হোৱা নাই

বিভাগীয় হিচাপৰ পুনৰ মিলন বা Reconciliationৰ ক্ষেত্ৰতো গাফিলতিৰ তথ্য দিছে CAG-এ।

২০২৪-২৫ বিত্তীয় বর্ষত মহাগণনা পৰীক্ষক (হিচাপ আৰু প্ৰাপ্তি)ৰ কার্যালয়ত লিপিবদ্ধ হোৱা প্ৰাপ্তিৰ ৩৪.৪৮ শতাংশ আৰু ব্যয়ৰ ৩৫.০৯ শতাংশ হিচাপ সংশ্লিষ্ট বিভাগসমূহে মিলোৱা নাছিল।

বিত্ত বিভাগৰ ২০০৭ চনৰ নির্দেশ অনুসৰি, বিভাগসমূহে প্রতি তিনিমাহৰ মূৰে মূৰে হিচাপৰ পুনৰ মিলন কৰিব লাগে। কিন্তু সেই নির্দেশ পালনতো ঘাটতি দেখা গৈছে।

কোষাগাৰৰ নগদ ধনৰ হিচাপত ২৭৪.৯৭ কোটি টকাৰ পার্থক্য

CAGৰ প্রতিবেদনত চৰকাৰৰ নগদ ধনৰ হিচাপতো পার্থক্যৰ কথা উল্লেখ কৰা হৈছে।

৩১ মার্চ, ২০২৫ তাৰিখলৈ মহাগণনা পৰীক্ষক (হিচাপ আৰু প্রাপ্তি)ৰ হিচাপত নগদ ধনৰ অৱশিষ্ট ২৭৬.৯৫ কোটি টকা জমা (Credit) হিচাপে দেখুওৱা হৈছিল। আনহাতে, ভাৰতীয় ৰিজার্ভ বেংকৰ হিচাপত ১.৯৮ কোটি টকা ঋণাত্মক (Debit) অৱশিষ্ট দেখুওৱা হৈছিল।

দুয়োটা হিচাপৰ মাজত মুঠ পার্থক্য আছিল ২৭৪.৯৭ কোটি টকা। কোষাগাৰ, RBI, এজেঞ্চী বেংক আৰু মহাগণনা পৰীক্ষকৰ কার্যালয়ৰ মাজত হিচাপৰ পুনৰ মিলন নোহোৱাটো এই পার্থক্যৰ মূল কাৰণ বুলি প্রতিবেদনত উল্লেখ কৰা হৈছে।

ৰাজহুৱা ধনৰ স্বচ্ছতা আৰু জবাবদিহিতাক লৈ প্রশ্ন

CAGৰ প্রতিবেদনৰ এই তথ্যসমূহে অসম চৰকাৰৰ ৰাজহুৱা ধনৰ ব্যৱহাৰ, হিচাপ দাখিল আৰু বিত্তীয় জবাবদিহিতাৰ ক্ষেত্রত কেইবাটাও গুৰুত্বপূর্ণ প্রশ্ন উত্থাপন কৰিছে।

২০,৭৩৬.০৯ কোটি টকাৰ ব্যৱহাৰ প্রমাণপত্র কিয় সময়মতে দাখিল কৰা নহ’ল? কোন কোন বিভাগে নির্ধাৰিত সময়সীমা উলংঘা কৰিলে? কিমান ধন নির্ধাৰিত উদ্দেশ্যত ব্যয় কৰা হ’ল আৰু কিমান ধনৰ ব্যৱহাৰ এতিয়াও পৰীক্ষাৰ আওতালৈ অহা নাই? চৰকাৰে নির্ধাৰণ কৰা লক্ষ্য অনুসৰি বাকী থকা হিচাপসমূহ কিমানখিনি নিষ্পত্তি হ’ল?

এই প্রশ্নসমূহৰ উত্তৰ দিয়াৰ দায়িত্ব সংশ্লিষ্ট বিভাগসমূহৰ। কাৰণ ব্যৱহাৰ প্রমাণপত্র দাখিল নোহোৱাৰ অর্থ ধন আত্মসাৎ হোৱা বুলি নহয় যদিও ইয়াৰ ফলত সেই ধনৰ সঠিক ব্যৱহাৰ নিৰীক্ষা কৰাটো কঠিন হৈ পৰে।

ৰাজহুৱা ধন জনসাধাৰণৰ কৰ আৰু চৰকাৰী ৰাজহৰ পৰা আহে। সেয়েহে প্রতিটো টকাৰ ব্যৱহাৰৰ হিচাপ স্বচ্ছভাৱে দাখিল কৰাটো চৰকাৰৰ দায়িত্ব। CAGৰ প্রতিবেদনে উত্থাপন কৰা এই প্রশ্নসমূহৰ বিভাগভিত্তিক উত্তৰ আৰু বর্তমানৰ স্থিতি প্রকাশ কৰাটো এতিয়া ৰাজ্য চৰকাৰৰ বাবে গুৰুত্বপূর্ণ হৈ পৰিছে।

প্রাসংগিক চৰকাৰী নথি আৰু তথ্যসূত্র

1. CAGৰ সম্পূর্ণ প্রতিবেদন – State Finances Audit Report, Government of Assam, 2024-25

2. CAGৰ সম্পূর্ণ PDF – Report No. 2 of 2026

3. বিত্তীয় হিচাপৰ তৃতীয় অধ্যায় – Chapter 3: Financial Reporting

4. CAGৰ Executive Summary – Executive Summary

5. প্রতিবেদন বিধানসভাত দাখিলৰ তথ্য – Press Information Bureau

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/653/assam-government-20736-crore-pending-utilisation-certificates-cag-report